# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 08-08-2024
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

- - - - - - - - - - - - - - - - - - - - - -

ৰাজ্যৰ ছাত্ৰীসকলৰ সৱলীকৰণ, উচ্চ শিক্ষাৰ বাট প্ৰশস্তকৰণ আৰু বাল্য বিবাহ ৰোধৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ উদ্বোধন কৰে। এই আঁচনিখনে অহা ৩ বছৰত ১০ লাখ ছাত্ৰীক সামৰি ল'ব। মুখ্যমন্ত্ৰীয়ে কয় যে, বাল্য বিবাহৰ দৰে কুসংস্কাৰ ৰোধৰ লগতে অপৈণত বয়সতে মাতৃত্ব লাভৰ দৰে সমস্যাৰ পৰা কন্যাসকলক ৰক্ষা কৰাৰ লক্ষ্যৰে এই আঁচনিখন ৰূপায়ণ কৰা হৈছে। আনহাতে কন্যা-শিশুৰ মাজত নিহিত প্ৰতিভা বিকাশৰ ক্ষেত্ৰটো এই আঁচনিয়ে সহায় কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰিছে। মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰীসকলক চৰকাৰে নিৰন্তৰভাৱে শিক্ষা গ্ৰহণ কৰিবলৈ আৰ্থিক সাহায্য প্ৰদান কৰিলে দৰিদ্ৰ পৰিয়ালৰ পিতৃ-মাতৃৰ আৰ্থিক বোজা হ্ৰাস পোৱাৰ লগতে বিদ্যালয়ৰ শিক্ষা আধাতে এৰা ছাত্ৰীৰ সংখ্যা হ্ৰাস পাব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। সকলো পৰিয়ালৰ কন্যাৰ বাবে উপলব্ধ হ'বলগীয়া আঁচনিখনৰ অধীনত একাদশ শ্ৰেণীত নামভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীয়ে ১০ মাহলৈ মাহিলী এহেজাৰ টকাকৈ, স্নাতক প্ৰথম বৰ্ষত নামভৰ্তি কৰা যোগ্য ছাত্ৰীয়ে ১০ মাহলৈ মাহিলী এহেজাৰ ২৫০ টকাকৈ আৰু স্নাতকোত্তৰ প্ৰথম বৰ্ষত নামভৰ্তি কৰা ছাত্ৰীয়ে ১০ মাহলৈ মাহিলী দুহেজাৰ ৫০০ টকাকৈ লাভ কৰিব। ইপিনে অসম চৰকাৰে এটা বিজ্ঞপ্তিযোগে প্ৰকাশ কৰিছে যে স্নাতকোত্তৰ আৰু বি এড শিক্ষাৰ্থীৰ বাহিৰে আন বিবাহিতা ছাত্ৰী কিম্বা চাকৰিয়াল বি এড শিক্ষাৰ্থী, মন্ত্ৰী-সাংসদ-বিধায়কৰ কন্যা, বাণীকান্ত কাকতি বঁটাৰ অধীনত স্কুটী লাভ কৰা ছাত্ৰীসকল এই আঁচনিৰ বাবে যোগ্য বিবেচিত নহ'ব।

চিৰাং জিলাৰ কাজলগাঁৱৰ উপেন্দ্ৰ নাথ মহাবিদ্যালয়ত আজি ৰাজ্যৰ হস্ততাঁত আৰু বস্ত্ৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই 'নিযুত মইনা' আঁচনিখন শুভাৰম্ভ কৰে। ইপিনে মৰিগাঁও জিলাৰ জাগীৰোড মহাবিদ্যালয়ত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ দ্বাৰা এই আঁচনি শুভাৰম্ভ অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। অনুষ্ঠানত জিলা আয়ুক্ত দেৱাশিষ শৰ্মাৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। তদুপৰি জিলাখনৰ ৫৬টা শিক্ষানুষ্ঠানত এই অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। শোণিতপুৰ জিলাতো এই আঁচনিৰ সুবিধা গ্ৰহণৰ বাবে আজিৰে পৰা প্ৰ-পত্ৰ সংগ্ৰহ কৰাৰ বাবে আহ্বান জনোৱা হৈছে। আজি তেজপুৰ মহাবিদ্যালয়ত আয়োজিত অনুষ্ঠানত তেজপুৰৰ বিধায়ক পৃথ্বীৰাজ ৰাভা, ত্যাগবীৰ হেমবৰুৱা মহাবিদ্যালয়ত বিধায়ক পদ্ম হাজৰিকাই এই আঁচনিৰ প্ৰ-পত্ৰসমূহ বিতৰণ কৰে। ইপিনে আজি মুখ্যমন্ত্ৰীয়ে আনুষ্ঠানিকভাৱে আঁচনি উদ্বোধন কৰাৰ পাছতে কাৰ্বি আংলঙত ৩৩ খন শিক্ষানুষ্ঠানত অধ্যয়ন কৰি থকা ছাত্ৰীসকলৰ মাজত আবেদন প্ৰ-পত্ৰ বিতৰণ কৰা হয়। এই আঁচনিখনৰ জৰিয়তে জিলাখনৰ ৩ হাজাৰ ৪২৫ গৰাকী ছাত্ৰী উপকৃত হ'ব বুলি কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে প্ৰকাশ কৰে।

০০০০০

পৰিবহণ মন্ত্ৰী কেশৱ মহন্তই আজি কলিয়াবৰ মহকুমাৰ অন্যান্য পিছপৰা শ্ৰেণী উন্নয়ন বোৰ্ড আৰু মহকুমা কল্যাণ বিষয়াৰ কাৰ্যালয়ৰ সৌজন্যত মকুমাটোৰ অন্যান্য পিছপৰা শ্ৰেণীৰ হিতাধিকাৰীৰ মাজত টেলিভিছন ছেট আৰু চকী-টেবুল বিতৰণ প্ৰক্ৰিয়া আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। চলিত বৰ্ষত মহকুমা কল্যাণ বিষয়াৰ কাৰ্যালয়ৰ অধীনত অন্যান্য পিছপৰা শ্ৰেণীৰ হিতাধিকাৰীৰ বাবে এই সামগ্ৰীসমূহ বিতৰণৰ ব্যৱস্থা কৰা হৈছে।

০০০০০

অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি পি সিঙে আজি তিনিচুকীয়াৰ আৰক্ষী অতিথিশালাত এখন আইন-শৃংখলা সম্পৰ্কীয় পৰ্যালোচনা বৈঠকত উপস্থিত থাকে। সেনা, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু তিনিচুকীয়া জিলাৰ সকলো থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ উপস্থিতিত এই বৈঠকত আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে যিকোনো ধৰণৰ সম্ভাব্য কূটাঘাত ৰোধ কৰিবলৈ নিৰাপত্তাৰক্ষীসকলক সাজু হৈ থাকিবলৈ আহ্বান জনায়। বৈঠকৰ পাছত সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত সঞ্চালক প্ৰধানগৰাকীয়ে কয় যে, আলফা স্বাধীনক অসমত প্ৰৱেশত বাধা প্ৰদান কৰিবলৈ নিৰাপত্তাৰক্ষী সাজু হৈ আছে। তেওঁ কয় যে আলফাই কূটাঘাত সংঘটিত কৰিলে অসম আৰক্ষী অধিক সক্ৰিয়তাৰে আলফা-বিৰোধী অভিযান চলাব। ইফালে, বাংলাদেশৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত তেওঁ কয় যে অসম আৰক্ষীয়ে বাংলাদেশৰ পৰিস্থিতি পৰ্যালোচনা কৰি আছে। সীমান্তত নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰাৰ লগতে সীমান্ত সুৰক্ষা বাহিনীও সক্ৰিয় হৈ থকা বুলি তেওঁ উল্লেখ কৰে। ইফালে, বাংলাদেশৰ পৰা যাতে কোনো লোক অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰিব নোৱাৰে তাৰ বাবে অসম আৰক্ষীয়ে দৃষ্টি ৰাখিছে বুলি উল্লেখ কৰি আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে কয় যে ধুবুৰী, কাছাৰ, দক্ষিণ শালমাৰা মানকাচৰ আদি সীমান্তৱৰ্তী জিলাৰ আৰক্ষী অধীক্ষকসকলক অধিক সক্ৰিয় হ'বলৈ কোৱা হৈছে।

০০০০০

নগাঁও জিলাৰ ধিঙত আজি আৰক্ষীয়ে এজন বাংলাদেশী নাগৰিকক গ্ৰেপ্তাৰ কৰে। জিলাখনৰ আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি হুমায়ুন কবিৰ নামৰ বাংলাদেশী লোকজনৰ পৰা আৰক্ষীয়ে দুখন বাংলাদেশৰ মোবাইল ছিমকাৰ্ড আৰু মোবাইল হেণ্ডছেট জব্দ কৰে। লোকজনে দেশখনৰ ছিলেট জিলাৰ পৰা মেঘালয়ৰ ডাউকী হৈ অসমত প্ৰৱেশ কৰিছিল। ধিং বজাৰত ব্যৱসায়ৰ বাবে গৰু ক্ৰয় কৰাৰ সময়ত লোকজনক গ্ৰেপ্তাৰ কৰা হয়।

০০০০০

সমাপ্ত